**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-08-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

বিশ্বনাথ জিলা প্ৰশাসনে আজি ননকে জাপৰিগুৰিৰ ১৭০ বিঘা ভূমিত উচ্ছেদ চলাব। যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদ অভিযানৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ কৈছিল। অবৈধ দখলকাৰীক সেই স্থান এৰি যাবলৈ কালি মাইক যোগে অন্তিমবাৰৰ বাবে ঘোষণা কৰা হয়। উচ্ছেদ অভিযানৰ বাবে ২০ খন বুলড'জাৰ, ১০ খন ট্ৰেক্টৰ আৰু ২০ খন সৰু-বৰ বাহন সাজু কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে ইতিমধ্যে অঞ্চলটোত আৰক্ষী প্ৰশাসন সষ্টম হৈ আছে আৰু অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা জোনত ভাগ কৰা হৈছে। দুটা জোনত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে।

অঞ্চলটোৰ চৰকাৰী আঁচনিৰ অন্তৰ্গত দুটা অংগনবাড়ী কেন্দ্ৰ, বিদ্যালয়, অমৃত সৰোবৰৰ বাহিৰে বাকী চাহ বাগিছা আদিত উচ্ছেদ চলিব।

জিলাখনত অবৈধ দখলকাৰীৰ কবলত ৫৬ হাজাৰ বিঘা চৰকাৰী ভূমি আছে। ইয়াৰে ভিতৰত বিশ্বনাথ ৰাজহ চক্ৰতে প্ৰায় ৪৪ হাজাৰ বিঘা ভূমি আছে। বিশ্বনাথৰ চৰ অঞ্চলৰ গাতে লাগি থকা অঞ্চলটোত উচ্ছেদ চলিব বুলি বহু লোকে মূল্যবান সামগ্ৰী আন ঠাইলৈ লৈ গৈছে যদিও একাংশ লোকে এতিয়াও স্থান এৰিবলৈ মান্তি হোৱা নাই। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে অঞ্চলটোত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা বলৱৎ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে গুৱাহাটীৰ দীপৰ বিল বন্যপ্ৰাণী অভয়াৰণ্যৰ কাষৰীয়া এলেকাক পৰিৱেশ সংবেদনশীল অঞ্চল- ইক' ছেনজিটিভ জ'ন হিচাপে ঘোষণাৰ অধিসূচনা জাৰি কৰিছে। মন্ত্ৰালয় ১৯৮৬ চনৰ পৰিৱেশ সুৰক্ষা আইনৰ অধিনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৰ্ববৃহৎ জলাশয় তথা বিভিন্ন বিলুপ্ত প্ৰায় প্ৰজাতিৰ পক্ষী, সৰীসৃপ আৰু জলজ পতংগৰ আবাস স্থলী দীপৰ বিলৰ সংৰক্ষণৰ বাবে এই পদক্ষেপ লৈছে। অধীসূচনাখনত পৰিৱেশ সংবেদনশীল অঞ্চলৰ পৰিসৰ দীপৰ বিল বন্য প্ৰাণী অভয়াৰণ্যৰ সীমাৰ চাৰিও দিশে ২৫ দশমিক ২-৯-৪ মিটাৰৰ পৰা ৫ কিলোমিটাৰ পৰ্যন্ত বিস্তৃত হৈ থাকিব বুলি কোৱা হৈছে। পৰিৱেশ সংবেদনশীল অঞ্চলে মুঠ ৩৮ দশমিক ৮-৪ বৰ্গ কিলোমিটাৰ এলেকা সামৰি ল'ব। অৱশ্যে বিভিন্ন দিশত পৰিৱেশ সংবেদনশীল অঞ্চলৰ পৰিসৰ পৃথক পৃথক হ'ব। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জনবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ঘাইকৈ জলাশয়টো আৰু ইয়াৰ বন্য প্ৰানীসমূহক প্ৰদূষণ আৰু ক্ৰমবৰ্ধমান উন্নয়নৰ বিৰূপ প্ৰভাৱৰ পৰা ৰক্ষা কৰিবলৈ এই প্ৰস্তাৱ দিয়া হৈছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ জাহাজ, বন্দৰ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ক্ৰিকেট হলৰ উদ্বোধন কৰে। ক্ৰিকেট খেলত জিলাখনৰ প্ৰতিভাৱান খেলুৱৈসকলক উৎসাহ যোগোৱাৰ উদ্দেশ্যে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই এই ক্ৰিকেট হল নিৰ্মাণ কৰে। এই উদ্বোধনী অনুষ্ঠানতে মন্ত্ৰী শ্ৰীসোণোৱালে ক্ৰিকেট খেলুৱৈসকলৰ লগত মত বিনিময় কৰে। অনুষ্ঠানত বিধায়ক সঞ্জয় কিষাণ, তেৰছ গোৱালা, তৰংগ গগৈ, ডিব্ৰুগড় জিলাৰ ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়া, সাধাৰণ সম্পাদক কামাখ্যা শইকীয়াকে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে কালি ডিব্ৰুগড় জিলাৰ বিভিন্ন ঠাইত হোৱা ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া পৰিদৰ্শন কৰি প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে। জিলাখনৰ মাইজান ঠাকুৰবাৰী বৰশইকীয়া গাঁৱত ব্ৰহ্মপুত্ৰৰ খহনীয়াই কালৰূপ ধাৰণ কৰিছে। নৈ কাষৰীয়া অঞ্চলটোৰ ৰাইজ গড়াখহনীয়াক লৈ শংকিত হৈ পৰাৰ সময়তে মন্ত্ৰী প্ৰশান্ত ফুকনে খহনীয়া প্ৰতিৰোধৰ জৰিয়তে অঞ্চলটো সুৰক্ষিত কৰি ৰাখিবলৈ ক্ষীপ্ৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

০০০০০০

সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ, ডিব্ৰুগড়ৰ শিক্ষা বিভাগে ২০২৫-২৬ শিক্ষাবৰ্ষত হ'বলগীয়া নাৰ্ছিং, ফাৰ্মাচিউটিকেল চায়েন্স, পেৰামেডিকেল, বাণিজ্য আৰু মেনেজমেণ্ট, ইঞ্জিনিয়াৰিং, কম্পিউটাৰ পাঠ্যক্ৰমৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। নিৰ্বাচিত প্ৰাৰ্থীসকলক যিকোনো চৰকাৰী স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়ত পাঠ্যক্ৰম গ্ৰহণৰ বাবে সংযুক্ত কৰা হ'ব। ইয়াৰ বাবে ইচ্ছুক আবেদনকাৰীয়ে ২৫ আগষ্ট, ২০২৫ৰ ভিতৰত www.skaceducation.in ৰ যোগেদি অনলাইযোগে আবেদন কৰিব পাৰিব। এই ৱেবছাইটোৰ পৰা পাঠ্যক্ৰমৰ সবিশেষ ডাউনল'ডো কৰি ল'ব পাৰিব। অহা ২৬ আগষ্ট, ২০২৫ৰ পৰা প্ৰাৰ্থীসকলৰ কাউন্সেলিং আৰু সাক্ষাৎকাৰ পৰ্যায়ক্ৰমে অনুষ্ঠিত হ'ব।

০০০০০০

ৰাষ্ট্ৰীয়  বঁটাৰে সন্মানিত প্ৰসিদ্ধ অভিনেত্ৰী সীমা বিশ্বাসে এককভাৱে অভিনয় কৰা **অনশুনি চিখেঁ** নামৰ চুটি ছবিখনে উনবিংশ অযোধ্যা চলচ্চিত্ৰ মহোৎসৱৰ **শ্ৰেষ্ঠ সামাজিক বাৰ্তাবাহী ছবি**ৰ সন্মান লাভ কৰিছে। ইতিপূৰ্বে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সমাদৰ লাভ কৰা এই ছবিখন ৰাজ্যৰ শীৰ্ষ আৰক্ষী বিষয়া পাৰ্থ সাৰথি মহন্তৰ এটি কবিতাৰ আধাৰত ৰচিত কাহিনীৰে নিৰ্মাণ কৰা হৈছে। এগৰাকী যুৱতীৰ প্ৰত্যাহ্বানেৰে ভৰা কষ্টকৰ তথা শক্তিশালী জীৱনযাত্ৰাক চিত্ৰায়িত কৰা এই চুটি ছবিখন পাৰ্থ সাৰথি মহন্তই পৰিচালনা আৰু মীনা মহন্ত আৰু ইন্দ্ৰানী বৰুৱাই প্ৰযোজনা কৰিছে।

০০০০০০

সমাপ্ত